# REGIONAL NEWS UNIT

ALL INDIA RADIO, GUWAHATI

0000000000

Date : 23-05-2026 **Time :** 1100 Hrs.

0000000000

অসমকে ধৰি দেশৰ অন্যান্য প্ৰান্তত ইন্ধনৰ চাহিদা হঠাৎ বৃদ্ধিৰ সময়তে পেট্ৰ'ল-ডিজেল আৰু ৰন্ধন গেছৰ যোগান সুনিশ্চিত কৰাৰ বাবে ৰাজহুৱা খণ্ডৰ তৈল বিপণন কোম্পানী IOCL, BPCL আৰু HPCL-এ সমন্বিতভাৱে কাম কৰি আছে। বিভিন্ন ৰাজ্যত ঋতুভিত্তিক কৃষি আৰু খেতি চপোৱাৰ পৰিপ্ৰেক্ষিতত শেহতীয়াকৈ তৈল বিপণন কোম্পানীসমূহত পেট্ৰ'লিয়ামজাত সামগ্ৰীৰ চাহিদা যথেষ্ট বৃদ্ধি পোৱা পৰিলক্ষিত হয়। ইয়াৰ প্ৰতি লক্ষ্য ৰাখি এই তৈল বিপণন কোম্পানীসমূহে ডিপো, পাইপলাইন, এল পি জি বটলিং প্লাণ্ট আৰু খুচুৰা বিপণীসমূহৰ জৰিয়তে ইন্ধনৰ নিৰৱচ্ছিন্ন যোগান অব্যাহত ৰখাৰ প্ৰয়াস কৰিছে। ইন্ধন বিতৰণৰ সুবিধা তথা নিৰৱচ্ছিন্ন যোগান নিশ্চিত কৰাৰ বাবে কোম্পানীসমূহে ৰাজ্যসমূহৰ সৈতে সমন্বয় বজাই ৰাখিছে। উল্লেখযোগ্য যে ৰাষ্ট্ৰীয় পৰ্যায়ত বিগত ৩ দিনত ১ কোটি ৩২ লাখ ৰন্ধন গেছৰ চিলিণ্ডাৰ বুকিং হোৱাৰ বিপৰীতে ১ কোটি ৩৪ লাখ চিলিণ্ডাৰ যোগান ধৰা হৈছে।

০০০০০০০

দেশৰ ৪৭টা স্থানত আজি ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। প্ৰধানমন্ত্ৰী নৰেন্দ্ৰ মোদীয়ে আজি ভিডিঅ' কনফাৰেন্সিং ব্যৱস্থাৰে ঊনবিংশ ৰোজগাৰ মেলাৰ জৰিয়তে দেশৰ ৫১ হাজাৰৰো অধিক নৱ নিযুক্ত যুৱক-যুৱতীক নিযুক্তি পত্ৰ প্ৰদান কৰিব। এই প্ৰাৰ্থীসকলে ৰে'ল মন্ত্ৰালয়, গৃহ পৰিক্ৰমা, স্বাস্থ্য আৰু পৰিয়াল কল্যাণ মন্ত্ৰালয়, অৰ্থনৈতিক সেৱা দপ্তৰ, উচ্চ শিক্ষা বিভাগকে ধৰি বিভিন্ন মন্ত্ৰালয় আৰু বিভাগত নিযুক্তি লাভ কৰিছে।

অসমতো উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ তত্বাৱধানত আজি গুৱাহাটীৰ মালিগাঁওস্থিত ৰং ভৱন প্ৰেক্ষাগৃহত ৰোজগাৰ মেলাৰ আয়োজন কৰা হৈছে। উত্তৰ-পূব সীমান্ত ৰে'লৱেৰ জনসম্পৰ্কৰক্ষী বিষয়াই জনোৱা মতে অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ আৰু জলপথ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল উপস্থিত থাকিব।

০০০০০০

বাংলাদেশ সীমান্তৰে অনুপ্ৰৱেশকাৰী ৰোধ কৰাৰ ক্ষেত্ৰত সমন্বিত ৰণনীতি প্ৰস্তুত কৰাৰ বাবে অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগৰ মুখ্যমন্ত্ৰীৰ সৈতে শীঘ্ৰেই এখন উচ্চ পৰ্যায়ৰ বৈঠক অনুষ্ঠিত কৰি পৰিকল্পনা যুগুত কৰা হ'ব বুলি কেন্দ্ৰীয় গৃহমন্ত্ৰী অমিত শ্বাহে প্ৰকাশ কৰিছে। নতুন দিল্লীত কালি সীমান্ত সুৰক্ষা বাহিনী আৰু ৰুস্তমজী স্মাৰক বক্তব্য প্ৰদান অনুষ্ঠানত ভাষণ দি শ্ৰী শ্বাহে কয়, যে অনুপ্ৰৱেশৰ সমস্যা হৈছে দেশৰ অন্যতম বৃহৎ অন্তৰ্বৰ্তী নিৰাপত্তা প্ৰত্যাহ্বান আৰু কেন্দ্ৰীয় চৰকাৰে অবৈধ অনুপ্ৰৱেশকাৰীয়ে যাতে সীমান্ত অঞ্চলৰ জনগাঁথনি সলনি কৰিব নোৱাৰে, সেয়া সুনিশ্চিত কৰাৰ বাবে প্ৰতিশ্ৰুতিবদ্ধ। অসম, ত্ৰিপুৰা আৰু পশ্চিমবংগকে ধৰি বাংলাদেশৰ সৈতে সীমান্ত ভাগ-বটোৱাৰা কৰা ৰাজ্য চৰকাৰসমূহে এই ক্ষেত্ৰত সমন্বিতভাৱে কাম কৰি আছে বুলি গৃহমন্ত্ৰীগৰাকীয়ে প্ৰকাশ কৰে। তেওঁ লগতে অনুপ্ৰৱেশকাৰী ৰোধৰ বাবে অনাগত সময়ত এই ৰাজ্যকেইখনৰ মুখ্যমন্ত্ৰীসকলৰ সৈতে আলোচনাত মিলিত হ'ব বুলি জানিবলৈ দিয়ে।

০০০০০০০

শিক্ষা মন্ত্ৰালয় আৰু নীতি আয়োগৰ দ্বাৰা আয়োজিত বিকশিত ভাৰত বিল্ডাথন, ২০২৫ প্ৰতিযোগিতাত মৰিগাঁও জিলাৰ বিদ্যালয়ে সাফল্য লাভ কৰিছে। জিলাখনৰ মায়ং শিক্ষা খণ্ডৰ কাৰছোৱাবড়ী মধ্য ইংৰাজী বিদ্যালয়ে এই প্ৰতিযোগিতাত ৰাজ্যিক স্তৰত বঁটা লাভ কৰাৰ লগতে মৰিগাঁও ছোৱালী উচ্চতৰ মাধ্যমিক বিদ্যালয় আৰু ছহীদ সূৰ্য বৰা মাধ্যমিক বিদ্যালয়ে ক্ৰমে প্ৰটʼটাইত আৰু আৰ্হিৰ বাবে জিলা পৰ্যায়ৰ বঁটা লাভ কৰিবলৈ সমৰ্থ হৈছে। উল্লেখযোগ্য যে বিকশিত ভাৰত বিল্ডাথন ২০২৫ হৈছে ভাৰতৰ সৰ্ববৃহৎ বিদ্যালয় ভিত্তিক হেকাথন। ইয়াত ষষ্ঠ শ্ৰেণীৰ পৰা দ্বাদশ শ্ৰেণীলৈকে দেশৰ এক কোটিতকৈও অধিক শিক্ষাৰ্থীয়ে অংশগ্ৰহণ কৰিছে।

০০০০০০

আকাশবাণী গুৱাহাটীৰ আঞ্চলিক বাতৰি বিভাগৰ দৃষ্টিপাত অনুষ্ঠানত আজি নিশা ৮ বাজি ২ মিনিটত **সমাজ জীৱনত কৃত্ৰিম বুদ্ধিমত্তাৰ প্ৰভাৱ** সম্পৰ্কীয় এটি আলোচনা প্ৰচাৰ কৰা হʼব। আলোচনাত অংশগ্ৰহণ কৰিব বিষয়বস্তুৰ বিশেষজ্ঞ ইন্দ্ৰনীল তালুকদাৰ আৰু কাব্যনীল তালুকদাৰে। অনুষ্ঠানটিৰ আঁত ধৰিব জিণ্টি ৰাণী ডেকাই। অনুষ্ঠানটিৰ প্ৰযোজনা আকাশবাণী গুৱাহাটীৰ বাতৰি বিভাগৰ।

০০০০০০

বিশ্বনাথ জিলাৰ গহপুৰৰ ভলুকাগুৰি পাৰঘাটত কালি ৰাজ্যিক দুৰ্যোগ সহাঁৰি বাহিনী, ৰাষ্ট্ৰীয় দুৰ্যোগ সহাঁৰি বাহিনী আৰু সেনা বহিনীৰ মʼকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত হয়।বাৰিষাৰ সময়ত সম্ভাব্য বিপদৰ পৰা জনসাধাৰণক উদ্ধাৰ কৰাৰ লগতে অন্যান্য সহায় আগবঢ়োৱাৰ বাবে এই মʼকড্ৰিল কাৰ্যসূচী অনুষ্ঠিত হয়। তদুপৰি বানৰ সময়ত প্ৰয়োজন হোৱাকৈ নদীৰ বুকুত উদ্ধাৰ অভিযানৰো তেওঁলোকে আখৰা কৰে।

০০০০০০০

দক্ষিণ শালমাৰা মানকাছৰ জিলাৰ বৰাইৰ আলগা গাওঁ পঞ্চায়তত জৈৱ সাৰ প্ৰস্তুত সন্দৰ্ভত প্ৰশিক্ষণ কাৰ্যসূচী অনুষ্ঠিত হয়। জিলা জল আৰু পৰিচ্ছন্নতা সমিতিৰ উদ্যোগত আয়োজিত প্ৰশিক্ষণ কাৰ্যসূচীত স্থানীয় লোক, আত্মসহায়ক গোটৰ সদস্য আৰু কৃষকসকলে অংশগ্ৰহণ কৰে। কাৰ্যসূচীত জিলা কৃষি বিষয়া মইনুল হকে জৈৱ আৱৰ্জনাৰ সঠিক ব্যৱস্থাপনা, কেঁচু সাৰ প্ৰস্তুত আদি সন্দৰ্ভত বিযদভাৱে অৱগত কৰে। তেওঁ কয় যে মাটিৰ উৰ্বৰতা আতুত ৰখাৰ বাবে জৈৱ সাৰৰ প্ৰয়োগ বৃদ্ধি কৰাটো প্ৰয়োজন।

০০০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ পঞ্জাৱ কিংছৰ বিৰুদ্ধে অৱতীৰ্ণ হʼব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হʼব।

প্ৰতিযোগিতাত যোৱা নিশা হায়দৰাবাদত অনুষ্ঠিত এখন খেলত ছানৰাইজাৰ্ছ হায়দৰাবাদে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰুক ৫৫ ৰানত পৰাস্ত কৰে।

খেলখনত জয়লাভ কৰা সত্বেও ছানৰাইজাৰ্ছ হায়দৰাবাদ প্ৰতিযোগিতাৰ পইণ্ট তালিকাৰ তৃতীয় স্থানত থাকে। ইয়াৰ বিপৰীতে ৰয়েল চেলেঞ্জাৰ্ছ বাংগালুৰু পইণ্টা তালিকাৰ শীৰ্ষত আছে।

০০০০০০০০

**সমাপ্ত**